# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-10-2023
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ছত্তিশগড়ৰ জগ্‌দলপুৰত ২৬ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

২। কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে কৈছে যে মহাকাশ গৱেষণা ক্ষেত্ৰত ভাৰত ক্ৰমান্বয়ে নতুন শিখৰলৈ আগবাঢ়ি গৈছে আৰু মহাকাশ গৱেষণাৰ ক্ষেত্ৰত বিশ্বৰ আগশাৰীৰ দেশসমূহৰ সৈতে ফেৰ মাৰিবলৈ সক্ষম হৈছে।

৩। উত্তৰ প্ৰদেশৰ দেওৰিয়া জিলাৰ ৰুদ্ৰপুৰ আৰক্ষী চকীৰ অন্তৰ্গত ফাতেহপুৰ গাঁৱত কালি দুটা ফৈদৰ মাজত হোৱা এটা ভূমিকেন্দ্ৰিক সংঘৰ্ষত ৬জন লোকৰ মৃত্যু হয়।

৪। আবু ধাবিৰ ৰাষ্ট্ৰীয় প্ৰদৰ্শনী কেন্দ্ৰত কালিৰে পৰা আবু ধাবি আন্তঃৰাষ্ট্ৰীয় পেট্ৰ'লিয়াম প্ৰদৰ্শনী আৰু সন্মিলন অনুষ্ঠিত হৈছে।

*আৰু*

৫। চীনৰ হাংঝৌত চলি থকা এছিয়ান গেমছৰ কালি নৰম দিনা ভাৰতে তিনিটা ৰূপ আৰু চাৰিটা ব্ৰঞ্জৰ পদক লাভ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ছত্তিশগড়ৰ জগ্‌ডলপুৰত ২৬ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। আমাৰ সংবাদদাতাই জনোৱা মতে প্ৰধানমন্ত্ৰীয়ে আজি বাস্তাৰৰ নগৰনাৰত ৰাষ্ট্ৰীয় খনি, উন্নয়ন নিগম চমুকৈ এন ডিম এম চিৰ গ্ৰীণ ফিল্ড তীখা প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। প্ৰায় ২৪ হাজাৰ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা এই সংহত তীখা প্ৰকল্পটোৱে উচ্চমানৰ তীখা উৎপাদন কৰিব। এই প্ৰকল্পই নিয়োগৰ সুবিধাও প্ৰদান কৰিব। উল্লেখযোগ্য যে, এসময়ত মাওবাদীৰ কাৰ্যকলাপৰ বাবে এই জনজাতীয় অঞ্চলটো এতিয়া পৃথিৱীৰ তীখা উৎপাদন স্থলীৰ অন্যতম স্থলী হিচাপে পৰিগণিত হ'ব। জগ্‌ডলপুৰ ভ্ৰমণৰ সময় ছোৱাত প্ৰধানমন্ত্ৰীয়ে জগ্‌ডলপুৰ ৰে'ল ষ্টেচনৰ উন্নীতকৰণৰ আধাৰশী স্থাপন কৰাৰ লগতে আন্তাগড় আৰু তাৰকীৰ মাজত নতুন ৰে'ল লাইন তথা জগ্‌ডলপুৰ আৰু দান্তেৱাড়াৰ মাজত দ্বৈত ৰে'ললাইন প্ৰকল্পও ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লাভ কৰা স্মৃতিচিহ্নসমূহৰ কালিৰে পৰা সাধাৰণ জনতাৰ বাবে ই-নিলাম মুকলি কৰা হৈছে বুলি সাংস্কৃতিক মন্ত্ৰালয়ে প্ৰকাশ কৰে। চলিত মাহৰ ৩১ তাৰিখলৈ এই নিবিদা গ্ৰহণ কৰা হ'ব। জনসাধাৰণে ইয়াত অংশগ্ৰহণ কৰিবলৈ ৱেবছাইট pmmementos.gov.in ত পঞ্জীয়ন কৰিব পাৰিব। এই নিলামৰ পৰা সংগৃহীত ধন পবিত্ৰ গংগা পুনৰজীৱিতকৰণ প্ৰকল্প নমামী গংগালৈ আগবঢ়োৱা হ'ব। এই নিলামৰ পঞ্চম সংস্কৰণত ই-নিলামৰ বাবে ১০০ টকাৰ পৰা ৬৫ লাখ টকালৈ স্মৃতিচিহ্নসমূহ উপলব্ধ হ'ব। নতুন দিল্লীৰ নেচনেল গেলাৰী অৱ মডাৰ্ণ আৰ্টত স্মৃতিচিহ্নসমূহৰ এখন প্ৰদৰ্শনীও আয়োজন কৰা হৈছে। এই প্ৰদৰ্শনীত ১৫০ টাতকৈও অধিক উল্লেখযোগ্য স্মৃতিচিহ্ন আছে, যিয়ে ৰাষ্ট্ৰৰ সাংস্কৃতিক সজীৱতাৰ আভাস দিয়ে। প্ৰদৰ্শনীখন উদাৰতা, সদিচ্ছা আৰু কলাসুলভ উপহাৰৰ এক উৎসৱত পৰিণত হয়।

সাংস্কৃতিক ৰাজ্যমন্ত্ৰী মিনাক্ষী লেখীয়ে কয় যে, এই স্মৃতিচিহ্নসমূহে আমাৰ চহকী সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰে। তেওঁ এই ই-নিলামত সকলোকে অংশগ্ৰহণ কৰিবলৈ অনুৰোধ জনায় আৰু আশা কৰে যে, এই স্মৃতিচিহ্নসমূহে মানুহৰ ঘৰত প্ৰৱেশ কৰি আমাৰ চহকী সাংস্কৃতিক ঐতিহ্যক জীয়াই ৰাখিব।

প্ৰধানমন্ত্ৰী মোদীয়ে লাভ কৰা ৯১২ টাতকৈ অধিক উপহাৰ ই-নিলামৰ বাবে ৱেবছাইটত উপলব্ধ হ'ব। এই স্মৃতিচিহ্নসমূহৰ দ্বাৰা চিত্ৰকলা, ভাস্কৰ্য্য, থলুৱা হস্তশিল্প, মনোমোহা লোকশিল্প আৰু জনজাতীয় শিল্পকে ধৰি এক পৰম্পৰাগত শিল্পৰ প্ৰদৰ্শন কৰা হৈছে। এই সামগ্ৰীসমূহৰ ভিতৰত কিছুমান গতানুগতিকভাৱে লাভ কৰা সন্মান আৰু শ্ৰদ্ধাৰ প্ৰতীক য'ত পৰম্পৰাগত অংগবস্ত্ৰ, মুৰত মৰা পাগুৰি আৰু আনুষ্ঠানিক তৰোৱাল আদিও আছে।

০০০০০

কেন্দ্ৰীয় বিজ্ঞান প্ৰযুক্তি দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে কৈছে যে মহাকাশ গৱেষণা ক্ষেত্ৰত ভাৰত ক্ৰমান্বয়ে নতুন শিখৰলৈ আগবাঢ়ি গৈছে আৰু মহাকাশ গৱেষণাৰ ক্ষেত্ৰত আগশাৰীৰ দেশসমূহৰ সৈতে ফেৰ মাৰিবলৈ সক্ষম হৈছে। নতুন দিল্লীত অনুষ্ঠিত এটা অনুষ্ঠানত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ISROৰ বৈজ্ঞানিকসকলক সন্মানিক কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, নাছা আৰু আন মহাকাশ সংস্থাসমূহ থকা সত্বেও বৰ্তমান ISRO পৃথিৱীৰ অগ্ৰণী মহাকাশ সংস্থা হিচাপে বিবেচিত হৈছে। তেওঁ কয় যে, এসময়ত ভাৰতক দুৰ্বল বুলি ভাবি থকা আমেৰিকা আৰু ৰাছিয়াৰ দৰে দেশসমূহে এতিয়া ভাৰতৰ সৈতে একেলগে কাম কৰিব বিচাৰে। শ্ৰীসিঙে লগতে কয় যে, ভাৰতে দেশৰ সমৃদ্ধিশালী পৰম্পৰাগত জ্ঞানসমূহৰো অতিৰিক্ত লাভ পাইছে। তেওঁ কয় যে, মহাকাশ গৱেষণাক উদগনি যোগোৱাৰ ক্ষেত্ৰত নৰেন্দ্ৰ মোদীৰ কাম-কাজে স্বচ্ছতা বৃদ্ধি কৰাৰ লগতে জনসাধাৰণৰ মাজত এই বিষয়টো যথেষ্ট সমাদৰ লাভ কৰিছে। অনুষ্ঠানত ভাষণ দি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয় যে, বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰখনক আগবঢ়াই নিয়াৰ বাবে সমৰ্পিত মনোভাৱৰ ব্যক্তি আৰু সংস্থাৰ সহযোগৰ প্ৰয়োজন। শ্ৰীবিৰলাই মহাত্মা গান্ধী আৰু লালবাহাদুৰ শাস্ত্ৰীৰ জয়ন্তীত নেতা দুগৰাকীয়ে দেশক দিয়া নেতৃত্ব আৰু সেৱাৰ বাবে তেওঁলোকক শ্ৰদ্ধাৰে সোঁৱৰে।

০০০০০

উত্তৰ প্ৰদেশৰ দেওৰিয়া জিলাৰ ৰুদ্ৰপুৰ আৰক্ষী চকীৰ অন্তৰ্গত ফাতেহপুৰ গাঁৱত কালি দুটা ফৈদৰ মাজত হোৱা এটা ভূমিকেন্দ্ৰিক সংঘৰ্ষত ৬জন লোকৰ মৃত্যু হয়। জিলা ন্যায়াধীশ অখণ্ড প্ৰতাপ সিঙে কয় যে, এই সংঘৰ্ষত এটা ফৈদৰ এগৰাকী ব্যক্তিৰ ঘটনাস্থলীতে মৃত্যু হোৱাৰ লগতে আনটো ফৈদৰ ৬ জন লোক আহত হয়। আহতসকলক চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয় যদিও তেওঁলোকৰ ৫ জনৰ মৃত্যু হয়। ঘটনা সন্দৰ্ভত

সোধা-পোছাৰ বাবে ১৪ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ৰাজ্যৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে এই ঘটনাত জড়িত দোষীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিছে। নিৰাপত্তাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি ফাতেহপুৰ গাঁৱত আৰক্ষী বাহিনী নিয়োগ কৰা হৈছে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ মৰ্মে ইতিমধ্যেই শীৰ্ষ বিষয়াসকল ঘটনাস্থলীত উপস্থিত হৈছে।

০০০০০

আবু ধাবিৰ ৰাষ্ট্ৰীয় প্ৰদৰ্শনী কেন্দ্ৰত কালিৰ পৰা আবু ধাবি আন্তঃৰাষ্ট্ৰীয় পেট্ৰ'লিয়াম প্ৰদৰ্শনী আৰু সন্মিলন অনুষ্ঠিত হৈছে। অহা ৫ অক্টোবৰলৈ চলিবলগীয়া এই কাৰ্যসূচীয়ে এইবাৰ ১৬৪ খন দেশৰ ১ লাখ ৬০ হেজাৰৰো অধিক অংশগ্ৰহণকাৰীকে আকৰ্ষণ কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰা হৈছে।

এইবাৰৰ এই কাৰ্যসূচীৰ বিষয়বস্তু হৈছে Decarbonising, Faster, Together অৰ্থাৎ দ্ৰুতভাৱে আৰু একগোট হৈ কাৰ্বন নিৰ্গমন হ্ৰাস কৰা। এই প্ৰদৰ্শনীত শক্তি জড়িত প্ৰযুক্তি, উদ্ভাৱন, সহযোগিতা আৰু ডিজিটীয়কৰণৰ লেখীয়া বিভিন্ন চহৰী কাৰ্যসূচী প্ৰদৰ্শন কৰা হ'ব। এই প্ৰদৰ্শনী আৰু সন্মিলনে অতিথিসকলক ২ হেজাৰ দুশৰো অধিক গোলকীয় কোম্পানীৰ সৈতে সংযোগ কৰিব। ইয়াত ভাৰতকে ধৰি ৩০ খন দেশৰ নিজা মণ্ডপ থাকিব। কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছমন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে এই কাৰ্যসূচীৰ ভাৰতীয় মণ্ডপটো মুকলি কৰে।

এই কাৰ্যসূচীতে ভাগ লোৱাৰ সুযোগতে মন্ত্ৰীগৰাকীয়ে আগশাৰীৰ উদ্যোগপতিসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

০০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ ঠাকুৰে মমতা বেনাৰ্জী নেতৃত্বৰ পশ্চিমবংগৰ চৰকাৰখন বিভিন্ন কেংলেকাৰীৰ সৈতে জড়িত আছে বুলি অভিযোগ উত্থাপন কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমক সম্বোধি শ্ৰীঠাকুৰে কয় যে, এমজি এনৰেগা আৰু কেন্দ্ৰীয় আঁচনিসমূহৰ অধীনত তৃণমূল কংগ্ৰেছৰ দুৰ্নীতিগ্ৰস্ত চৰকাৰখনে দুখীয়া জনসাধাৰণক তেওঁলোকৰ প্ৰাপ্যৰ পৰা বঞ্চিত কৰিছে। তেওঁ লগতে কয় যে, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত পশ্চিমবংগৰ চৰকাৰখনে এনেকুৱা কিছুসংখ্যক লোকক বাসগৃহৰ সুবিধা আগবঢ়াইছে যিসকলৰ পূৰ্বৰ পৰাই নিজৰ ঘৰ আছে। উল্লেখযোগ্য যে, এমজি এনৰেগা আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত পশ্চিমবংগৰ চৰকাৰক মুকলি কৰি দিবলগীয়া পুঁজিৰ যোগানত বিলম্ব হোৱাৰ বাবে তৃণমূল কংগ্ৰেছৰ নেতাসকলে দিল্লীত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ পাছতেই মন্ত্ৰীগৰাকীয়ে এই বক্তব্য আগবঢ়ায়।

০০০০০

চীনৰ হাংঝৌত চলি থকা এছিয়ান গেমছৰ কালি নৱম দিনা ভাৰতে তিনিটা ৰূপ আৰু চাৰিটা ব্ৰঞ্জৰ পদক লাভ কৰিছে। ইয়াকে লৈ ভাৰতে ১৩টা সোণ, ২৪টা ৰূপ আৰু ২৩টা ব্ৰঞ্জৰ পদকসহ এতিয়ালৈকে মুঠ ৬০টা পদক লাভ কৰিছে। এথলেটিক্সত কালি মহম্মদ আজমল, ভিথ্যা ৰামৰাজ, ৰাজেশ ৰমেশ আৰু শুভা ভেংকেটেছনক লৈ গঠিত ভাৰতীয় দলটোৱে 4 x 4 মিটাৰ ৰিলেৰ মিক্সড টীম শাখাত প্ৰথমে ব্ৰঞ্জৰ পদক লাভ কৰে যদিও পিছলৈ ৰূপৰ পদকলৈ উন্নীত হয়। এই শাখাত ৰূপৰ পদক লাভ কৰা শ্ৰীলংকাৰ দলটো খেলৰ নীতিগত কাৰণত অযোগ্য বিবেচিত হোৱাৰ পিছত ভাৰতীয় দলটো ৰূপৰ পদকলৈ উন্নীত হোৱাৰ সিদ্ধান্ত ঘোষণা কৰা হয়। ইপিনে, মহিলাৰ লং জাম্পৰ ফাইনেলত এন্সি ছোজানে  ৰূপৰ পদক অৰ্জন কৰে। মহিলাৰ ষ্টিপল চেজৰ ডাবল হোৰেমিৰ ৩ হাজাৰ

মিটাৰ ফাইনেলত ভাৰতে ৰূপ আৰু ব্ৰঞ্জৰ পদক লাভ কৰে। কালি ভাৰতৰ মহিলা আৰু পুৰুষ স্পীড স্কেটিং ৰিলে দলটোৱে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ইপিনে টেবল টেনিছৰ মহিলাৰ ডাবলছৰ শাখাত ভাৰতীয় যুটী অয়হিকা মুখাৰ্জী, সুতীৰ্থা মুখাৰ্জীয়ে  ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

অন্যান্য শিতানসমূহত ভাৰতৰ স্কোৱাছ খেলুৱৈ সৌৰভ ঘোষালে  প্ৰি-কোৱাৰ্টাৰ ফাইনেলত কুৱেটৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে জয়লাভ কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

কাৱাডীটো কালি ভাৰতে ভাল প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়। পুৰুষৰ হকীৰ পুল-এৰ ফাইনেল খেলখনত ভাৰতে কালি বাংলাদেশৰ বিৰুদ্ধে ১২-০ গলৰ ব্যৱধানত জয়লাভ কৰে। অধিনায়ক হৰমন প্ৰীত সিঙে পেনাল্টি কৰ্ণাৰ্ছত হেট্ৰিক অৰ্জন কৰাৰ লগতে মনদীপ সিঙেও তিনিটা গল দিয়ে।

ooooo

বাংগাদেশত থকা ভাৰতৰ উচ্চায়ুক্ত প্ৰণয় বাৰ্মাই কালি বাংলাদেশৰ ক'মিল্লা জিলাত থকা কাশীনগৰ স্নাতক মহাবিদ্যালয়ত এটা মহাবিদ্যালয় এটা মহাবিদ্যালয় ভৱন মুকলি কৰে। এই উপলক্ষে দিয়া ভাষণত উচ্চায়ুক্তগৰাকীয়ে এই মহাবিদ্যালয় ভৱনে শিক্ষাৰ্থীসকলক তেওঁলোকৰ নিজা স্থানতে গুণগত শিক্ষা লাভ কৰাত সহায় কৰিব বুলি বিশ্বাস ব্যক্তি কৰে। শ্ৰীবাৰ্মাই কয় যে, ৪ মহলীয়া এই ভৱণটো High Impact Community Development Projects চমুকৈ HICDP প্ৰণালীৰ অধীনত নিৰ্মাণ কৰা হৈছে।

ooooo

**সমাপ্ত**